# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-April-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১।	আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২।	কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধী, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰীৰ প্ৰচাৰ অভিযান।

৩।	বিধানসভা নিৰ্বাচন উপলক্ষে জিলা প্ৰশাসনৰ ভোটাৰ সজাগতা কাৰ্যসূচী অব্যাহত।

**আৰু**

৪।	ৰাজ্যৰ বিভিন্ন স্থানত ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থী সকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস চলাইছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বোকাজানত নিৰ্বাচনী সভাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তেওঁৰ দল পুনৰ ক্ষমতালৈ আহিলে কাৰ্বি আংলঙত ২৪৪(ক) অনুচ্ছেদ কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছ দলে ক্ষমতাৰ বিকেন্দ্ৰিকৰণত বিশ্বাস কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে তৃণমূল পৰ্যায়ৰ পৰাই পৰিৱৰ্তনৰ সূচনা হ'ব লাগে আৰু ইয়াৰ বাবে দিল্লী বা গুৱাহাটীৰ পৰা শাসনৰ পৰিৱৰ্তে স্থানীয় নেতাই অঞ্চলটোত শাসন কৰা উচিত। একেদৰে তিতাবৰত প্ৰচাৰ সভাত অংশ লৈ শ্ৰীগান্ধীয়ে বৰ্তমানৰ চৰকাৰখনৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰে।

**বাইট (ৰাহুল গান্ধী)**

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ বিগত সময়ছোৱাত এন ডি এ চৰকাৰৰ শাসনকালত ৰাজ্যত উন্নয়নৰ ধাৰা সোণালী আখৰেৰে লিখা যাব বুলি উল্লেখ কৰে। অসমত পুনৰবাৰ সু-শাসনৰ জৰিয়তে বিকাশৰ গতি অব্যাহত ৰখাৰ স্বাৰ্থত জনসাধাৰণক বিজেপিক ভোটদান কৰিবলৈ তেওঁ আহ্বান জনায়। শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে কাইলৈ দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীও আজি প্ৰচাৰৰ বাবে অসমলৈ আহিছে। তেওঁ মধ্য গুৱাহাটী আৰু পলাশবাৰীত প্ৰচাৰ চলাব। নিৰ্বাচনী প্ৰচাৰৰ বাবে এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেইছিও ৰাজখনলৈ আহিছে। ওৱেছিয়ে আজি বৰপেটাৰ পাকাবেতবাৰী সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উজনি অসমৰ কেইবাঠাইতো প্ৰচাৰ চলাইছে। তেওঁ খোৱাং আৰু দুলীয়াজান সমষ্টিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই ডিগবৈত সুৰেন ফুকনৰ হৈ আৰু ডিব্ৰুগড়ৰ লেপেটকাটাত মিত্ৰজোঁটৰ প্ৰাৰ্থী চক্ৰধৰ গগৈৰ হৈ প্ৰচাৰ চলাইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৫ এপ্ৰিলত মৰাণ, বৰপেটা ৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাহৰকটীয়াত বিজেপি প্ৰাৰ্থী তৰংগ গগৈৰ হৈ প্ৰচাৰ চলায়।

গোৰেশ্বৰৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসৰ সমৰ্থনত আজি দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰচাৰ সভাত অংশ লয়। শ্ৰীশইকীয়াই টংলাত এন ডি এ সমৰ্থিত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ হৈও প্ৰচাৰ চলায়।

কাছাৰত আজি তৃণমূল কংগ্ৰেছৰ উধাৰবন্দ আৰু সোণাৰী সমষ্টিৰ প্ৰাৰ্থী তপন দাস আৰু ছাহজাহান লস্কৰৰ সমৰ্থনত পশ্চিমবংগৰ যাদৱপুৰৰ সাংসদ ছাইনী ঘোষে প্ৰচাৰ চলায়।

০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে।

শ্ৰীভূমি জিলাত প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলৰ বাবে জিলা প্ৰশাসনে অনন্য পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ ডি এছ এ খেলপথাৰত ২৪টা আত্মসহায়ক গোটৰ সদস্যাই ধামাইল নৃত্য পৰিৱেশন কৰি ভোটাৰ সজাগতা সৃষ্টি কৰে। তদুপৰি বেনাৰ, প্লে কাৰ্ড প্ৰদৰ্শন আৰু ছেলফি পইণ্ট স্থাপন কৰা হৈছে। জিলা আয়ুক্তই যুৱ ভোটদাতাসকলক এই গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

অসম বিধানসভা নিৰ্বাচনৰ ৰাষ্ট্ৰীয় আইকন তথা পেৰা চাইক্লিষ্ট ৰাকেশ বনিকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাৰী অধ্যয়ন কেন্দ্ৰৰ সহযোগত ভোটাৰ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁ বিশেষকৈ নতুন ভোটদাতাসকলক এখন সুস্থ-সবল গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

যোৰহাট জিলা প্ৰশাসনৰ ছুইপ কোষৰ উদ্যোগত আজি স্বৰাজ উদ্যানত সাংস্কৃতিক সন্ধিয়া আৰু পুৰস্কাৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী জিলাসমূহত অহা ৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ৭ এপ্ৰিলৰ বিয়লি ৫ বজালৈ ড্ৰাই ডে ঘোষণা কৰা হৈছে। অহা ৪ মে'ত ভোটগণনাৰ দিনটোতো ভোটগণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা কৰা হৈছে।

মৰিগাঁও জিলাতো আজি জিলাই আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি অহা ৭ এপ্ৰিল আৰু ৪ মে'ত ড্ৰাই ডে ঘোষণা কৰা হৈছে। এই দুয়োটা দিনতে সকলো পাইকাৰী আৰু খুচুৰা সুৰাৰ বিপণী বন্ধ থাকিব। লগতে সুৰা বিক্ৰীৰ অনুজ্ঞাপ্ৰাপ্ত ক্লাব, হোটেল আদিতো সুৰাৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে।

ooooo

দেশৰ বিভিন্ন স্থানত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে। এই উপলক্ষে হনুমান মন্দিৰত ভক্তসকলে নিচেই পুৱাৰ পৰা ভিৰ কৰা পৰিলক্ষিত হৈছে। বিভিন্ন মন্দিৰত হনুমান চালিচা, সুন্দৰ কাণ্ড ৰামায়ণ আৰু অখণ্ড ৰামায়ণ পাঠ কৰাৰ বাতৰি আহিছে। ধুবুৰী জিলাত হনুমান জয়ন্তী উপলক্ষে বিশাল শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ বিলাসীপাৰাৰ অতি পুৰণি হনুমান মন্দিৰত মহাযজ্ঞ, হনুমান অভিষেক আদিৰ আয়োজন কৰা হৈছে। মংগলদৈৰ ৰাম জানকী আৰু হনুমান মন্দিৰতো আজি পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ দেখা গৈছে। ধেমাজিৰ বজৰঙ্গ ৰাইচ মিল প্ৰাংগণত থকা হনুমান মন্দিৰত দিনজোৰা কাৰ্য্যসূচীৰে হনুমান জয়ন্তীৰ আয়োজন কৰা হৈছে। পুৱাৰ ভাগত আয়োজিত শোভাযাত্ৰাত পাঁচ শতাধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

শিৱসাগৰ জিলাৰ থানামুখৰ হনুমান মন্দিৰত পৰাম্পৰাগত ৰীতি-নীতিৰে হনুমান জয়ন্তী পালন কৰা হয়। ইয়াৰ সৈতে সংগতি ৰাখি হোমযজ্ঞ, পূজা আদিৰ উপৰি বিশ্ব শান্তি, ঐক্য আৰু সম্প্ৰীতিৰ বাবে প্ৰাৰ্থনা কৰা হয়।

ooooo

সমাপ্ত